**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-1-2025 **Time :** 0900 Hrs.

***Assamese Morning Bulletin***

**<u>Headlines</u>**

১। অৰুণাচল প্ৰদেশৰ মৰাণ জনগোষ্ঠীৰ লোকসকললৈ তিনিচুকীয়া জিলাৰ নিয়োগ বিনিময় কেন্দ্ৰত নামপঞ্জীয়নৰ সুবিধা প্ৰদানৰ বাবে ৰাজ্যিক মন্ত্ৰী সভাৰ সিদ্ধান্ত।

২। বৰপেটাৰ বৰঘলা চৰৰ সমীপত সংঘটিত নাও দুৰ্ঘটনাত সন্ধানহীন লোকসকলক উদ্ধাৰ বাবে আজিপুৱাৰে অভিযান অব্যাহত।

৩। গোৱালপৰীয়া লোকগীতৰ যশস্বী শিল্পী প্ৰতিমা বৰুৱা পাণ্ডেৰ স্মৃতি বিজড়িত গৌৰীপুৰৰ মাটিয়াবাগৰ প্ৰাসাদ সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

৪। ৰাষ্ট্ৰপতিৰ ভাষণেৰে আজি সংসদৰ বাজেট অধিৱেশন আৰম্ভ।

*আৰু*

৫। বিশাখাপট্টনমত আজি ভাৰত-নিউজিলেণ্ডৰ মাজত চলিত টি-২০ শৃংখলাৰ চতুৰ্থখন খেল।

০০০০০০০

অৰুণাচল প্ৰদেশৰ মৰাণ জনগোষ্ঠীৰ লোকসকলে এতিয়াৰেপৰা তিনিচুকীয়া জিলাৰ নিয়োগ বিনিময় কেন্দ্ৰত নামপঞ্জীয়ন কৰিব পাৰিব। ইয়াৰ বাবে চুবুৰীয়া ৰাজ্যখনত বাস কৰা মৰাণ জনগোষ্ঠী লোকসকলৰ অসম চৰকাৰে জাৰি কৰা স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ  অন্যান্য পিছপৰা জাতিৰ প্ৰমাণ পত্ৰ থাকিব লাগিব। একেদৰে, ৰাজ্যৰ চুতীয়া জনগোষ্ঠীৰ বাবে ৰাজ্যৰ অসামৰিক সেৱা আৰু অসম আৰক্ষী সেৱাৰ কনিষ্ঠ পদবীৰ বাবে এটাকৈ পদ সংৰক্ষিত থাকিব। দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। মন্ত্ৰী গোটৰ বৈঠকখনত গ্ৰহণ কৰা এই সিদ্ধান্তৰ  লগতে অন্যান্য সিদ্ধান্ত সমূহ মুখ্যমন্ত্ৰী ড০ শৰ্মাই এখন সংবাদমেল যোগে প্ৰকাশ কৰে। কালিৰ বৈঠকত গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন নিধিৰ অধীনত দুগ্ধ প্ৰসংস্কৰণ উদ্যোগ নিৰ্মাণ,পশু চিকিৎসা প্ৰকল্প, গ্ৰাম্য পথ উন্নীতকৰণ আৰু ৰাজহুৱা শৌচালয় নিৰ্মাণৰ বাবে মুঠ ২০০ কোটি ৩৬ লাখ টকাৰ ২৭ টা প্ৰকল্পৰ বাবে অনুমোদন জনোৱা হয়। ডিব্ৰুগড় জিলাৰ মৰাণ ৰাজহ চক্ৰৰ অধীনৰ সংৰক্ষিত গাঁৱলীয়া চৰণীয়া পথাৰৰ ভূমিৰ সংৰক্ষণ বাতিল কৰি সেই ভূমি খিলঞ্জীয়া পৰিয়াল আৰু ৰাজহুৱা ব্যৱহাৰৰ ক্ষেত্ৰত আৱন্টন কৰাৰ বাবে কেবিনেটে অনুমোদন জনায়। পঞ্চায়ত সদস্যসকলৰ চিকিৎসাৰ ক্ষেত্ৰত চিকিৎসা ব্যয় পৰিশোধৰ সুবিধা প্ৰদান কৰাৰ প্ৰস্তাৱক কালিৰ কেবিনেট বৈঠকে অনুমোদন জনায়। এই আঁচনিৰ জৰিয়তে ৩০ হাজাৰৰো অধিক পঞ্চায়ত সদস্য উপকৃত হ'ব।

**-বাইট-(মুখ্যমন্ত্ৰী)**

কালিৰ এই বৈঠকতে নগৰ আৰু উপকণ্ঠ এলেকাৰ ভিতৰত থকা শ্ৰমিক লাইনৰ চাহ বাগিচাৰ শ্ৰমিকসকলৰ বাবে সম্পত্তি হস্তান্তকৰণৰ আইনী প্ৰক্ৰিয়াক ন্যায় সংগত কৰাৰ লগতে এই ক্ষেত্ৰত শিথিলতা অনাৰ বাবেও অনুমোদন জনোৱা হয়।

০০০০০০০০

বৰপেটা জিলাৰ দক্ষিণপ্ৰান্তৰ ৰহমপুৰ আৰু বৰঘলা চৰৰ মাজত ব্ৰহ্মপুত্ৰৰ বুকুত কালি সংঘটিত নাও দুৰ্ঘটনাত সন্ধানহীন লোকসকলক উদ্ধাৰৰ বাবে আজি পুৱাৰে পৰা পুনৰ অভিযান চলিছে। বৰপেটা আৰক্ষীয়ে জনোৱা অনুসৰি আজি পুৱাৰেপৰা এন ডি আৰ এফ আৰু এচ ডি আৰ এফৰ দলে দুৰ্ঘটনা সংঘটিত হোৱা স্থানক কেন্দ্ৰক কৰি ব্ৰহ্মপুত্ৰৰ বিভিন্ন দিশত উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। এই উদ্ধাৰ অভিযানত বৰপেটা আৰক্ষীয়েও সহযোগিতা আগবঢ়াইছে। উল্লেখযোগ্য যে, কালি এখন টুলুঙা নাৱৰে শিশুসহ ৩২জন লোকে ৰহমপুৰৰ পৰা বৰঘলালৈ যাত্ৰা কৰিছিল। বৰঘলা চৰ পোৱাৰ আগমুহূৰ্তত ব্ৰহ্মপুত্ৰৰ পকনীয়াত পৰি নাওখন বুৰ যায়। বাকী যাত্ৰীসকলে সাঁতুৰি আৰু আন এখন নাৱৰ নাৱৰীয়াৰ সহযোগত  নিজকে ৰক্ষা কৰিবলৈ সমৰ্থ হয় যদিও নাওসহ ৬জন লোক সন্ধানহীন হয়। এই সন্দৰ্ভত বৰপেটাৰ আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্ত।

-বাইট-(অৰূপজ্যোতি মহন্ত)

০০০০০০০০

অসম সচিবালয়ৰ ভিতৰত নিৰ্মীয়মান প্ৰেক্ষাগৃহ অহা ছমাহৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব আৰু এই প্ৰেক্ষাগৃহত অনাগত সময়ত ৰাজ্যখনৰ সকলো চৰকাৰী অনুষ্ঠানৰ আয়োজন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ নৱতম সংযোজন শ্ৰীশ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহ মুকলি কৰি এই কথা প্ৰকাশ কৰে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সম্পূৰ্ণৰূপে ৰাজহুৱা অনুষ্ঠানৰ বাবে উৎসৰ্গা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কালি মুকলি কৰা নতুন প্ৰেক্ষাগৃহটিয়ে ৰাজ্যৰ সাংস্কৃতিক পৰিকাঠামোক অধিক শক্তিশালী কৰি তুলিব। তেওঁ কয়, যে শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক সাৰোগত কৰি অসম চৰকাৰে বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয় স্থাপনেৰে সঁচা অৰ্থত বৰ অসম গঢ়ি তোলাৰ লক্ষ্যৰে প্ৰচেষ্টা চলাই আহিছে। এই ক্ষেত্ৰত তেওঁ জনসাধাৰণৰ সহযোগিতা কামনা কৰে। কলাক্ষেত্ৰত থকা শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ প্ৰেক্ষাগৃহ নৱনিৰ্মাণ কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

৫২ কোটি টকা ব্যয়ৰে সাজি উলিওৱা শ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহটিত আধুনিক তথা আন্তঃৰাষ্ট্ৰীয় মানৰ বিভিন্ন সা-সুবিধা সন্নিৱিষ্ট কৰা হৈছে। ৮০০ খন আসন বিশিষ্ট প্ৰেক্ষাগৃহটোত অত্যাধুনিক সন্মিলন কক্ষ, উন্নতমানৰ আলোক আৰু শব্দ প্ৰযুক্তি, দিব্যাংগ লোকসকলৰ বাবে মঞ্চত আৰোহণৰ সুবিধাৰ্থে বিশেষ লিফ্ট, অত্যাধুনিক থিয়েটাৰ অভিজ্ঞতা কেন্দ্ৰ আদিৰ ব্যৱস্থা থাকিব।  কালিৰ অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে অসমৰ লোক সংস্কৃতিলৈ চিৰযুগমীয়া অৱদান আগবঢ়োৱা প্ৰতিমা বৰুৱা পাণ্ডেৰ অৱদানক স্বীকৃতি দিয়াৰ বাবে তেওঁৰ স্মৃতি বিজড়িত গৌৰীপুৰৰ মাটিয়াবাগৰ  প্ৰাসাদ সংৰক্ষণ, মেৰামতি আৰু সংগ্ৰহালয় সংযোজনৰ পদক্ষেপ লোৱা হ'ব বুলিও ঘোষণা কৰে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনক উদ্দেশি দিয়া ভাষণেৰে আজি সংসদৰ বাজেট অধিৱেশন আৰম্ভ হ'ব। কাইলৈ অৰ্থনৈতিক সমীক্ষা দাখিল কৰা হ'ব আৰু অহা পহিলা ফেব্ৰুৱাৰী, দেওবাৰে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব। আজিৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অধিৱেশনৰ প্ৰথম পৰ্যায় আৰু ৯ মাৰ্চৰ পৰা ২ এপ্ৰিললৈ দ্বিতীয় পৰ্যায়ৰ কাম-কাজসমূহ চলিব। এইবাৰৰ অধিৱেশনৰ সময়ত মুঠ ৩০ দিন সদনৰ কাম-কাজ চলিব।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত প্ৰথম পৰ্যায়ৰ ১০ হাজাৰ টকাৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰিব। শিৱসাগৰ জিলাৰ ডিমৌ বিধানসভা সমষ্টিৰ খেলোৱা গাঁও পঞ্চায়তৰ বৰবিল খেলপথাৰত আয়োজিত অনুষ্ঠানত সমষ্টিটোৰ ৩ হাজাৰ ২১৪টা আত্মসহায়ক গোটৰ ৩০ হাজাৰ ৫১২ মহিলাই এই পুঁজিৰ ধন লাভ কৰিব। ইয়াৰ উপৰিও ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অধীনত ৭৭৯ গৰাকী মহিলাই এই আঁচনিৰ পুঁজিৰ ধন লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে কাইলৈ গোলাঘাট বিধানসভা সমষ্টিত আত্মসহায়ক গোটৰ ৩৬ হাজাৰ ৮৭৩ গৰাকী মহিলাক উদ্যমিতা পুঁজিৰ ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে ৩১৩ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত মুকলি প্ৰেক্ষাগৃহ, ৭ কোটি টকা ব্যয় সাপেক্ষ বালিজান উচ্চতৰ মাধমিক বিদ্যালয়ৰ নতুন ভৱন আৰু ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱনো মুকলি কৰিব। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণতে ১০৪ কোটি টকা ব্যয় সাপেক্ষ গোলাঘাট-মেৰাপানী পথ আৰু ১০৬ কোটি টকা ব্যয় সাপেক্ষ পদুমণি-ৰঙাজান পথো মুকলি কৰিব। তেওঁ সংহত জিলা আয়ুক্তৰ কাৰ্যালয় আৰু চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়ো উদ্বোধন কৰিব।

০০০০০০০০

১৮৯৪ চনৰ ২৮ জানুৱাৰীত দৰং জিলাৰ পথৰুঘাটত ব্ৰিটিছৰ বৰ্ধিত খাজনাৰ বিৰুদ্ধে গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰিবলৈ গৈ ছহিদ হোৱা কৃষকসকলৰ স্মৃতিত আজি কৃষক ছহিদ দিৱস পালন কৰা হৈছে। ১৮৯৪ চনৰ আজিৰ দিনটোতে দৰং জিলাৰ মঙলদৈৰ পৰা প্ৰায় ১৬ কিলোমিটাৰ পশ্চিমে অৱস্থিত পথৰুঘাটত ব্ৰিটিছ আৰক্ষীৰ গুলীত কমেও ১৪০ গৰাকী কৃষক ছহিদ হৈছিল। তদুপৰি প্ৰায় ১৫০ গৰাকী আহত হৈছিল। এই ছহিদসকলৰ স্মৃতিত দৰং জিলাৰ পথৰুঘাটত কালিৰে পৰা দুদিনীয়াকৈ কৃষক ছহিদ দিৱস আৰু ৰাইজমেল অনুষ্ঠিত হৈছে। কালি প্ৰথমদিনাৰ কাৰ্যসূচী হিচাপে কৃষক মেলাৰ দ্বাৰ মুকলি, কৃষক প্ৰশিক্ষণ আৰু কৃষি বিজ্ঞানীৰ সৈতে মত বিনিময় অনুষ্ঠিত হয়। আজি ছহিদৰ স্মৃতিসৌধত শ্ৰদ্ধাঞ্জলি তৰ্পণ, গছপুলি ৰোপণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৃষক ছহিদ দিৱস উপলক্ষে পথৰুঘাটৰ ছহিদ কৃষকসকললৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে।

০০০০০০০০

গৌৰৱ গগৈৰ পাকিস্তান সংযোগ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটৰ প্ৰতিবেদন, ৮ ফেব্ৰুৱাৰীত ৰাজহুৱা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সাংবাদিকৰ আগত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি আলিটকিব শ্বেখৰ গোচৰৰ সৈতে গৌৰৱ গগৈ আৰু তেওঁৰ পত্নী প্ৰত্যক্ষভাৱে জড়িত আছে। ৮

ফেব্ৰুৱাৰীৰ নিশা চাৰে ৮বজাত ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এখন সংবাদমেৰে যোগে তদন্তকাৰী গোটৰ প্ৰতিবেদন ৰাজহুৱা কৰিব বুলি জনাইছে। সংবাদ মেলৰ এদিনপূৰ্বে অহা ৭ ফেব্ৰুৱাৰীত এই সন্দৰ্ভত মন্ত্ৰী সভাৰ বৈঠকত আলোচনা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

০০০০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে পৰহিলৈ ডিব্ৰুগড়ত নিৰ্মাণ হ'বলগীয়া ৰাজ্যৰ দ্বিতীয় বিধানসভা চৌহদটিৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে কালি সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰে। এই প্ৰকল্পই ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টাত অধিক গতিশীল কৰি তোলাৰ লগতে সুশাসন ব্যৱস্থাক জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাত বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০

বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকা কেৱল অসম, পশ্চিমবংগ বা ভাৰতৰেই নহয়, বৰং প্ৰকৃত অৰ্থত তেওঁ এগৰাকী বিশ্বশিল্পী। ৪৯ সংখ্যক আন্তৰ্জাতিক কলকাতা গ্ৰন্থমেলাত অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আয়োজিত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি কালি কলকাতাৰ প্ৰকাশক আৰু পুথি বিক্ৰেতা গীল্ডৰ সচিব ত্ৰিদীপ চেটাৰ্জীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে মানৱতাৰ সুৰ-ধ্বনিৰ পৰিধি ভাঙি মানৱ সমাজৰ সম্প্ৰীতি শিল্পীগৰাকীৰ সৃষ্টিৰ মূল দৰ্শন। অনুষ্ঠানত অংশগ্ৰহণ কৰি সাহিত্য অকাডেমী সন্মান প্ৰাপক ঔপন্যাসিক, সাংবাদিক অনুৰাধা শৰ্মা পুজাৰীয়ে কয় যে ড০ ভূপেন হাজৰিকাই জীৱনৰ কঠিন সময়ত কলকাতালৈ গৈছিল আৰু কলকাতাবাসীয়ে তেওঁক হৃদয়ত স্থান দিছিল। তেওঁ কয় যে, শিল্পীগৰাকীয়ে ভৌগলিক সীমা অতিক্ৰম কৰি পাহাৰ ভৈয়াম একাকাৰ কৰি সমন্বয়ৰ আদৰ্শ প্ৰতিষ্ঠা কৰি থৈ গৈছে।

০০০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ চলিত পাঁচখনীয়া টি- ২০ শৃংখলাৰ চতুৰ্থখন খেল বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে ৩খন খেলত জয়লাভ কৰি শৃংখলা নিজৰ হাতলৈ আনিবলৈ সমৰ্থ হৈছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল-অহা ৩১ জানুৱাৰীত তিৰুৱনন্তপুৰমৰ গ্ৰীণ ফিল্ড ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০০

সমগ্ৰ দেশজুৰি উলহ-মালহেৰে দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস পালন, ইউৰোপৰ সৈতে ভাৰতৰ ঐতিহাসিক বাণিজ্য চুক্তি, আমিনগাঁৱত নিৰ্মাণ হ'ব মুখ্যমন্ত্ৰী বিলাসী ভৱন আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত ঐতিহাসিক বাণিজ্য চুক্তি স্বাক্ষৰ হোৱাৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰে। অন্যান্য কাকতসমূহেও এই বাতৰিটো ভিন্ন শিৰোনামেৰে সবিস্তাৰে প্ৰকাশ কৰিছে।

ৰাজ্যত সমাগত বিধানসভা নিৰ্বাচনক লৈ ৰাজনীতি দলসমূহৰ মাজত তৎপৰতা অব্যাহত থকাৰ সময়তে ৰাজ্যিক বিজেপিয়ে ৬০টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ পেনেল প্ৰস্তুত কৰাৰ এটা বাতৰি দৈনিক অসম কাকতখনে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

গৌৰৱ গগৈৰ পাকিস্তান লিংকৰ প্ৰতিবেদন অহা ৮ ফেব্ৰুৱাৰীত ৰাজহুৱা কৰা হ'ব বুলি কালি মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ বাতৰিটো দৈনিক জনমভূমি, আমাৰ অসম, অসমীয়া খবৰ, দৈনিক অগ্ৰদূত আদিৰ লগতে প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ সংশোধিত নীতি-নিয়মৰ বিৰুদ্ধে ৰাষ্ট্ৰজুৰি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ বাতৰি দা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

ভাৰতে শক্তি খণ্ডত ১০০ বিলিয়ন আমেৰিকান ডলাৰ বিনিয়োগৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

বৰপেটাৰ ৰহমপুৰত ব্ৰহ্মপুত্ৰত নাও পৰি চাৰিটি শিশুসহ ছজন লোক সন্ধানহীন হৈ থকাৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতৰ লগতে আন কাকতসমূহেও প্ৰকাশ কৰিছে।

জনপ্ৰিয় কণ্ঠশিল্পী অৰিজিৎ সিঙে নতুনকৈ কোনো নেপথ্য সংগীতৰ বাবে চুক্তিবদ্ধ নোহোৱাৰ সিদ্ধান্ত ঘোষণা কৰাৰ বাতৰি নিয়মীয়া বাৰ্তা কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

oooooooo

ৰাজ্যৰ ২০০ বছৰীয়া চাহ উদ্যোগলৈ আগবঢ়োৱা অনন্য অৱদানৰ স্বীকৃতি স্বৰূপে **এটি কলি দুটি পাত** আঁচনিৰ জৰিয়তে কালি ৫১৮গৰাকী শ্ৰমিকক এককালীন সাহায্য প্ৰদান কৰা হয়। নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈয়ে কালি আয়োজিত এটা অনুষ্ঠানত এই সাহায্য প্ৰদান কৰে। তেওঁ লগতে হাপজান চাহ বাগিচাত ১কোটি ৫০ লাখ টকাৰে নৱনিৰ্মিত জগন্নাথ সামূহিক প্ৰেক্ষাগৃহ তথা দক্ষতা বিকাশ কেন্দ্ৰও মুকলি কৰে।

oooooooo

শিৱসাগৰ জিলাত বৃহত্তৰ ৰংপুৰ মে-ডাম-মে-ফি উদযাপন সমিতিৰ উদ্যোগত আৰু আটাছু জিলা সমিতিৰ সহযোগত অহা পৰিহলৈৰ পৰা ১ ফেব্ৰুৱাৰীলৈ আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ আয়োজন কৰা হৈছে। অৱশ্যে এইবাৰ প্ৰতিবছৰে মে-ডাম-মে-ফিৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰি অহা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথন বাতিল কৰা হৈছে বুলি উদযাপন সমিতিয়ে জনাইছে। ইয়াৰ পৰিৱৰ্তে ১ ফেব্ৰুৱাৰীত শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত ৰাজ্যিক ভিত্তিত হেৰিটেজ ৰানৰ আয়োজন কৰা হ'ব। পুৰুষ আৰু মহিলাৰ তিনিটা শাখাত হ'বলগীয়া এই প্ৰতিযোগিতাত বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব বুলি উদযাপন সমিতিয়ে প্ৰকাশ কৰিছে।

oooooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থকাৰ লগতে দিনৰ ভাগলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা

সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, আৰু ত্ৰিপুৰাৰ বতৰ শুকান হোৱাৰ আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন স্থানত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

সমাপ্ত